بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ   نَحۡمَدُهٗ وَنُصَلِّىۡ عَلٰى رَسُوۡلِهِ الۡكَرِيۡمِ   وَعَلٰى عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২৯ নভেম্বৰত মছজিদ বায়তুল ফুতুহ মৌৰডন বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - হজৰত এজিদ বিন ছাবিত বদৰি চাহাবী আছিল। আনছাৰৰ কবিলা খজৰজৰ এটা গোত্ৰ বণু মালিক বিন নজাৰৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। হজৰত এজিদ (ৰাঃ) হজৰত জায়েদ বিন ছাবিত (ৰাঃ)ৰ ককায়েক আছিল। হজৰত এজিদ বিন ছাবিত যুদ্ধ বদৰ, আৰু অহুদত অংশগ্ৰহন কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফত কালত চন ১২ হিজৰিত ইমামাৰ যুদ্ধৰ পৰা ওভতি অহাৰ বাটত শ্বাহাদত বৰণ কৰিছিল।

হজৰত এজিদ বিন ছাবিত (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে এবাৰ তেখেত (ৰাঃ)য়ে নবী কৰিম (ছাঃ)ৰ ওচৰত আন আন চাহাবা সকলৰ লগত বহি আছিল। এনেতে এটা জানাজা আহি কাষেদি গৈ আছিল, যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে সেই জানাজা দেখা পাইছিল, তেখেত (ছাঃ) তৎক্ষণাত উঠি থিয় হৈছিল, লগে লগে চাহাবা সকলেওঁ উঠি থিয় হৈছিল। যেতিয়ালৈকে সেই জানাজা পাৰ হৈ যোৱা নাছিল তেতিয়ালৈকে সকলোৱে থিয় হৈ আছিল। হজৰত এজিদ বিন ছাবিত (ৰাঃ)য়ে কৈছে যে আল্লাহৰ কছম ! মই বুজি পোৱা নাছিলো যে তেখেত (ছাঃ)য়ে কি অসুবিধা বা কিবা ঠেক হোৱাৰ বাবে থিয় হৈছিল নেকি ? মোৰ ধাৰণা আছিল যে সেয়া কোনো ইহুদী পুৰুষ অথবা মহিলাৰ জানাজা হব লাগে বা আছিল।

আন এটা ৰোৱায়েতত আছে যত হজৰত এজিদ বিন ছাবিত (ৰাঃ)য়ে কৈছে যে আমি আঁহজৰত (ছাঃ)ৰ লগত বকি লৈ গৈ আছিলো, তাত নবী (ছাঃ)য়ে এটা নতুন কবৰ দেখা পাই সুধিছিল যে এয়া কাৰ কবৰ ? তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে তাইক চিনি পাইছিল। চাহাবা সকলে জনাইছিল যে তাই দুপুৰীয়া সময়ত ঢুকাইছে। আপুনি তেতিয়া বিছনাত শুই আছিল,সেয়ে আমি আপোনাক উঠোৱাটো পছন্দ কৰা নাছিলো। তেতিয়া আঁহজৰত (ছাঃ)য়ে সেই কবৰৰ ওচৰত থিয় দিছিল আৰু লোক সকলক নিজৰ পিছত শাৰী পাতি থিয় হবলৈ কৈছিল। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে চাৰি তকবিৰ পাঠ কৰিছিল অৰ্থ্যাৎ সেই কবৰৰ ওপৰত শাৰীবদ্ধ হৈ নমাজে জানাজা পঢ়াইছিল। তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে যেতিয়ালৈকে মই তোমালোকৰ মাজত (জীৱিত) আছোঁ যাৰেই মৃত্যু নহওঁক কিয়, সোনকালে মোক খবৰ দিবা কাৰণ মোৰ দোৱা তাৰ বাবে ৰহমত স্বৰূপ হব।

ইয়াৰ পিছৰজন চাহাবী হল হজৰত মাউজ বিন উমৰু বিন জমুহ (ৰাঃ)। আনছাৰৰ কবিলা খজৰজৰ এটা গোত্ৰ বণু হাশিমৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। হজৰত মাউজ (ৰাঃ)ৰ দেউতাকৰ নাম আছিল উমৰু বিন জমুহ আৰু মাকৰ নাম আছিল হিন্দ বিনতে উমৰু। হজৰত মাউজ বিন উমৰু বিন জমুহ নিজৰ দুজন সহোদৰ ভাই হজৰত মুৱাজ আৰু হজৰত খুল্লাজ (ৰাঃ)ক লগত লৈ ঐতিহাসিক বদৰ প্ৰান্তৰ ৰণভূমিত কাফিৰ সকলৰ বিৰুদ্দে প্ৰাণে পনে যুজিঁছিল। ইয়াৰ উপৰিও এওঁলোকে অহুদৰ যুদ্ধতও অংশগ্ৰহন কৰিছিল। হজৰত মোৱাজ বিন উমৰুৰ পিতৃদেৱ উমৰু বিন জমুহ (ৰাঃ)ৰ পুতেক সকলে তেখেতক তেখেতৰ লেঙেৰা অৱস্থাৰ কাৰণে বদৰৰ যুদ্ধত অংশগ্ৰহন কৰিবলৈ দিয়া নাছিল। যেতিয়া আকৌ অহুদৰ যুদ্ধৰ সময়ত হজৰত উমৰু বিন জমুহ তেখেতৰ পুতেক সকলক কৈছিল যে তোমালোকে মোক বদৰৰ যুদ্ধত অংশ লবলৈ দিয়া নাছিলা কিন্তু এতিয়া মই নিশ্চয় যাম, তোমালোকে মোক বাধা দিব নোৱাৰা। তেতিয়া তেখেতৰ পুতেক সকলে কৈছিল যে আপোনাৰ ভৰিৰ অৱস্থা বেয়া (খোৰা) হৈ আছে, গতিকে আপোনাৰ বাবে যুদ্ধ কৰা ফৰজ নহয়। হজৰত মাউজ বিন উমৰু বিন জমুহ (ৰাঃ) পুতেক সকলৰ বাধা নেওচি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিল আৰু আৰজ কৰিছিল যে ইয়া ৰছুলুল্লাহ ! মোক পুতেক সকলে মোৰ ভৰিৰ অৱস্থা বেয়া কাৰণে মোক যুদ্ধত যাবলৈ বাধা প্ৰদান কৰি আছে। কিন্তু মই আপোনাৰ লগত জিহাদত যোগদান কৰিব বিচাৰো। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে আল্লাহ তায়ালা তোমাক অক্ষম নিৰ্ধাৰণ কৰিছে গতিকে তোমাৰ বাবে জিহাদ ফৰজ নহয়।কিন্তু পিছত আঁহজৰত (ছাঃ)য়ে এখেত (ৰা১)ৰ আগ্ৰহ,ব্যাকুলতা

চাই যুদ্ধত অংশ লোৱাৰ অনুমতি দিছিল। হজৰত উমৰু বিন জমুহ (ৰাঃ)য়ে নিজৰ যুদ্ধ সৰঞ্জামলৈ ওলাইছিল আৰু এয়া দোৱা কৰি ওলাই পৰিছিল যে হে আল্লাহ মোক শ্বাহাদত বৰণৰ সৌভাগ্য দান কৰা আৰু মোক মোৰ মনোবাঞ্চা পুৰ্ণ নকৰি মোৰ পৰিয়াল বৰ্গৰ ওচৰলৈ নানিবা। অবশেষত প্ৰকৃততেই তেখেত (ৰাঃ) ৰ মনোৰথ সফল হৈছিল আৰু তেখেতে অহুদৰ ময়দানত শ্বহীদ হৈছিল। ৰছুলুল্লাহ )ছাঃ)য়ে কৈছিল যে সেই সত্তাৰ কছম ! যাৰ কুদৰতৰ অধীনত মোৰ প্ৰাণ যে মা উমৰু বিন জমুহক জান্নাতত তাৰ লেঙেৰা অৱস্থাৰেই চলোতে দেখিছে।

ইয়াৰ পিছত যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম হল হজৰত বিশৰ বিন বৰাআ বিন মাৰুৰ (ৰাঃ)। হজৰত বিশৰ (ৰাঃ) আনছাৰৰ কবিলা এটা শাখা বনু উবেদ বিন আদিৰ লোক আছিল। হজৰত বিশৰ (ৰাঃ)ৰ দেউতাকৰ নাম আছিল হজৰত বৰাআ বিন মাৰুৰ আৰু মাকৰ নাম আছিল খুলেইদা বিনতে কায়েছ। হজৰত বিশৰ (ৰাঃ)ৰ দেউতা হজৰত বাৰাআ বিন মাৰুৰ সেই বাৰজন বাৰ্তা বাহক (দূত)ৰ এজন আছিল যি সকলক নিযুক্তি দিয়া হৈছিল। এখেত (ৰাঃ) আছিল কবিলা বণু ছলামাৰ দূত। হজৰত বিসৰ (ৰাঃ)য়ে নিজৰ পিতৃৰ সৈতে বয়াতে উকবা দ্বিতীয়তে অংশ গ্ৰহন কৰিছিল। হজৰত বিশৰ বিন বৰাআ (ৰাঃ) ৰছুলুল্লাহ (ছাঃ)ৰ বাছনি কৰা সুদক্ষ তীৰ আন্দাজী সকজৰ মাজৰ এজন আছিল। হজৰত বিশৰ (ৰাঃ) যুদ্ধ বদৰ,অহুদ, খন্দক,হুদায়বিয়া, আৰু খয়বৰত ৰছুলে কৰিম (ছাঃ)ৰ লগত যোগদান কৰিছিল।

আব্দুৰ ৰহমান বিন আব্দুল্লাহ বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে -হে বণু ছালমা তোমালোকৰ চৰদাৰ কোন হয় ? এখতে উত্তৰ দিছিল যে জদ্দ বিন কায়েছ আমাৰ চৰদাৰ। তেখেত (ছাঃ)য়ে সুধিছিল তেওঁক তোমালোকে কিয় চৰদাৰ মানি লৈছা ? তেওঁ উত্তৰত কৈছিল যে জদ্দ আমাৰ মাজত আটাইতকৈ ধনী ব্যাক্তি সেয়ে আমি তাক চৰদাৰ হিচাপে মানি লৈছো। কিন্তু তেওঁ বৰ কৃপন লোক সেই বিষয়টো আমি ভাল নাপাওঁ। আঁহজৰত (ছাঃ)য়ে কৈছিল যে কৃপনালি বৰ ডাঙৰ বেমাৰ আৰু এই কাৰণেই তেওঁ তোমালোকৰ চৰদাৰৰ যোগ্য নহয়। এখেতে আবেদন কৰিছিল ইয়া ৰছুলুল্লাহ তেন্তে আমাৰ চৰদাৰ কোন হব আপুনি কৈ দিয়ক। তেখেত (ছাঃ)য়ে কৈছিল যে বিশৰ বিন বৰাআ তোমালোকৰ চৰদাৰ। অৰ্থ্যাৎ যিজন চাহাবীৰ বিষয়ে ইয়াত আলোচনা চলি আছে, তেখেতৰ কথা কৈছিল যে এওঁ তোমালোকৰ চৰদাৰ হব।

হজৰত ইবনে আববাচৰ পৰা বৰ্ণিত আছে যে ইহুদী সকলে আউচ আৰু খজৰজ কবিলাৰ ওপৰত ৰছুলুল্লাহ (ছঃ)ৰ আগমনৰ পুৰ্ব মুহুৰ্তত ৰছুলুল্লাহ (ছাঃ)ৰ নিমিত্তে বিজয় লাভৰ প্ৰাৰ্থনা কৰিছিল। অৰ্থ্যাৎ পৰস্পৰে কাজিয়াত লিপ্ত থাকোতে এয়া দোৱা কৰিছিল যে সেই নবী, যাৰ সম্পৰ্কে ভৱিষ্যত বাণী লিপিবদ্ধ আছে, তেখেতৰ আবিৰ্ভাৱৰ সময় হৈ গৈছে, তাৰ নামত আমাক বিজয় দান কৰা। কিন্তু যেতিয়া আল্লাহ তায়ালা আঁহজৰত (ছাঃ)ক আৰৱত আগমন ঘটালে তেতিয়া তেওঁলোকেই আঁহজৰত (ছাঃ)ক মানি লবলৈ অস্বীকাৰ কৰিলে আৰু যিটো কথাৰ প্ৰাৰ্থনা তেওঁলোকে কৰিছিল সেয়াওঁ অস্বিকাৰ হৈ পৰিল। হজৰত মুৱাজ বিন জবল  আৰু হজৰত বিশৰ বিন বৰাআ আৰু দাউদ বিন ছালমা এদিন কৈছিল যে হে ইহুদী সকলৰ দল আল্লাহ তায়ালাক ভয় কৰা আৰু ইছলাম গ্ৰহন কৰি লোৱা। প্ৰথমে দেখোন তোমালোকেই আমাৰ ওপৰত মহম্মদ (ছাঃ)নামৰ নবিৰ আগমনৰ জৰিয়তে বিজয়ৰ প্ৰাৰ্থনা কৰিছিলা এতিয়া তেখেতৰ আগমন ঘটিছে তেন্তে কিয় তোমালোকে সেই নবিৰ ওপৰত ইমান স্থাপন কৰা নাই ? এয়া শুনি ছালাম বিন মশকম ইহুদী যিজন কবিলা বণু নজিৰাৰ চৰদাৰ আৰু তেওঁলোকৰ ধনভঁৰালী আছিল আৰু সেই মহিলা জয়নব বিনতে হাৰিছৰ স্বামী, যিজনীয়ে খয়বৰৰ যুদ্ধত আঁহজৰত (ছাঃ)ক বিষ মিহলাই মাংস খাবলৈ দিছিল উত্তৰ দিছিল যে এই নবীজনে আমাৰ ওচৰত সেয়া লৈ অহা যি আমি চিনি পাওঁ আৰু এখেত সেইজন নবী নহয়, যাৰ কথা আমি তোমালোকৰ ওচৰত কৈছিলো।

হজৰত কা-আব বিন উমৰু আনছাৰিয়ে বৰ্ণনা কৰিছে যে  অহুদৰ যুদ্ধৰ দিনা এবাৰ মই নিজৰ সম্প্ৰদায়ৰ চৈধ্যজন লোকৰ সৈতে আঁহজৰত (ছাঃ)ৰ ওচৰত আছিলো, তেতিয়া আমাৰ চকুত টোপনীৰ ক্ৰিয়াই ছানি ধৰিছিল এয়া আছিল বৰ শান্তিৰ নিমিষ অৰ্থ্যাৎ  বৰ শান্তিৰে টোপনী গৈছিলোঁ।

যুদ্ধাৱস্থা চলি আছিল তথাপি এয়া আমাৰ এনেকুৱা টোপনী আছিল যিয়ে আমাক বৰ শান্তি দিছিল। আমাৰ মাজত এনে কোনেও নাছিল যে লালকাল টোপনীত বকুৰ ধমনী বজা শব্দ আৰু গৰগৰানী ওলোৱা নাছিল। হজৰত খলিফাতুল মছিহ ৰাৱে (চতুৰ্থ) ৰহঃ এই বিষয়টো এনেদৰে ব্যাখা কৰিছে যে “আমানাতান নুৱাছা” ইয়াৰ বিভিন্ন ধৰণৰ অৰ্থ আছে, মুঠতে ইয়াৰ সাৰমৰ্ম এয়া ওলাই যে দুঃচিন্তাৰ পিছত তোমাৰ ওপৰত এনেকুৱা শান্তি অৱতীৰ্ণ হয় যে যাক একধৰণৰ টোপনী বুলি কব

পাৰি নাইবা এনেকুৱা টোপনী হয় যি নিৰাপদ অৱস্থাত হয় অথবা সেই নিৰাপত্তাৰ ব্যাৱস্থা যত টোপনী যোৱাৰ অনুকুল পৰিবেশ আছিল নাইবা টোপনীৰ প্ৰশান্তি কালৰ অন্তৰ্ভূক্ত আছিল। গতিকে আল্লাহ্ তায়ালা কৈছে যে আমি তোমালোকক এনেকুৱা এটা নিৰাপদ অৱস্থা প্ৰদান কৰিছিলো যি টোপনীৰ সৈতে তুলনা কৰিব পাৰি কিন্তু টোপনীৰ দৰে গভীৰ নহয় যে তোমালোকে নিজৰ শাৰীৰিক স্পৰ্শকতা আৰু অনুভূতি হেৰাই পেলোৱা। সেই শান্তি অৱশ্য প্ৰদান কৰিছিলো কিন্তু তোমালোকক খলিফাতুল মছিহ ৰাৱে (ৰহঃ)য় লিখিছে যে সকলো জিহাদী যি সকলে হজৰত আকদছ মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ লগত আছিল, হঠাতে তেওঁলোকৰ ওপৰত যেনিবা সৰগৰ এটা বস্তু অৱতীৰ্ণ হয় আৰু সেই অৱস্থায় সিহঁতক ঢাকি ধৰে। মুঠতে সম্পূৰ্ণ দলটোৱে একে সময়তে এনেকুৱা এটা নিদ্ৰাছন্ন অৱস্থালৈ গুচি গৈছিলো, যদিও তাত লড়াই চলিছিল আৰু শত্ৰুৰ ফালৰ পৰা আতংকৰ সৃষ্টি হৈছিল। এই অৱস্থাটো বৰ আচৰিত কুদৰতি আছিল, এটা মজিজা আছিল। এয়া কোনো হঠাতে ঘটা দুৰ্ঘটনা নাছিল, এটা মজিজা আছিল। মুঠতে এয়া আল্লাহ্ তায়ালাৰ ফালৰ পৰা তেওঁলোকৰ ওপৰত এটা প্ৰশান্তিৰ অৱস্থা প্ৰকট কৰি দিয়া হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত বিশৰ (ৰাঃ)য়ে খয়বৰৰ যুদ্ধৰ দিনা ৰছুলুল্লাহ (ছাঃ)ৰ লগত সেই বিষ মিশ্ৰিত ছাগলীৰ মাংস খাইছিল যি এজনি ইহুদী মহিলায় উপহাৰ হিচাপে আঁহজৰত (ছাঃ)ক প্ৰদান কৰিছিল। তাৰে পৰা যেতিয়া হজৰত বিশৰ (ৰাঃ)য়ে নিজৰ গৰাহ গিলিছিল,তাৰ পৰা উঠি নাযাওতেই তেখেতৰ শৰীৰৰ ৰং সলনি হৈ যাদুৰ ক্ৰিয়াৰ দৰে কলা হৈ পৰিছিল। সেই বিষৰ ক্ৰিয়াত এবছৰলৈকে বিশৰ (ৰাঃ)য়ে কোনো সহায় নোলোৱাকৈ এটা খোজও দিব নোৱাৰিছিল। এনেদৰে ভুগি অৱশেষত তেখেত (ৰাঃ)ৰ মৃত্যু হৈছিল। আন এঠাইত উল্লেখ আছে যে তেখেত (ৰাঃ)য়ে তাৰ পৰা উঠি যোৱা নাছিল, তাতেই খোৱাৰ অলপ সময় পিছত তেখেত (ৰাঃ)ৰ মৃত্যু হৈছিল। হজৰত বিশৰ (ৰাঃ)ৰ মৃত্যুত তেখেতৰ মাকে বৰকৈ শোকাবিভূত হৈ পৰিছিল। তাই আঁহজৰত (ছাঃ)ৰ ওচৰত আহি কৈছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) বিশৰৰ মৃত্যুয়ে বণু ছলমাক ধ্বংস কৰি দিব। কি মৃতকে এজনে আনজনক চিনি পাবনে ? কি বিশৰলৈ ছালাম পৌছাব পৰা যাবনে ? ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল যে হয় যাব। হে উম্মে বিশৰ, সেই সত্তাৰ কছম, যাৰ হাতত মোৰ প্ৰাণ-যেনেকৈ চৰাইয়ে গছৰ ডালত এটাই আনটোক চিনি পাই তেনকৈ জান্নাতি সকলেও এজনে আনজনক চিনি পাব। আন এটা ৰোৱায়েতত উল্লেখ আছে যে কবিলা বণু ছলমাৰ কোনো লোকৰ যেতিয়া মুৰ্মুখ অৱস্থা হৈছিল তেতিয়া হজৰত বিশৰ (ৰাঃ)ৰ মাকে তাৰ ওচৰলৈ গৈ কৈছিল হে অমুক ! তোমাৰ ওপৰত ছালাম তেতিয়া উত্তৰত সেই লোকজনেও ছালাম কৈছিল। তাৰ পিছত তাই কৈছিল বিশৰক মোৰ ছালাম পৌছাই দিবা।

আন এটা ৰোৱায়েত অনুসৰি হজৰত বিশৰৰ ভনীয়েকে ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ আগত হোৱা বেমাৰ অৱস্থাত ওচৰলৈ আহিছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে তাইক কৈছিল যে তোমাৰ ভায়েকৰ লগত খয়বৰত মই যি গৰাহ খাইছিলো, তাৰ প্ৰতিক্ৰিয়াত মই মোৰ সিৰা কাটি যোৱা যেন উপলব্ধি কৰি আছো।

কিছুমান শত্ৰু সকলে এয়া অভিযোগ ৰটনা কৰে যে নবী (ছাঃ)ৰ মৃত্যু সেই বিষৰ ক্ৰিয়াতেই হৈছে। ইতিহাস আৰু তেখেত (ছাঃ)ৰ জীৱনীত কিছুমান কিতাপত এই বিষয়ে বিতৰ্ক উপস্থাপন কৰিছে। আনহাতে কিছুমান জীৱনী লিখোতাই আঁহজৰত (ছাঃ)ক এই কাৰণেই শ্বাহাদতৰ মৰ্যাদা প্ৰদান কৰিবলৈ সেই ৰোৱায়েতবোৰ মানি লবলৈ প্ৰস্তুত হয়। কিন্তু প্ৰকৃততে এয়া শুদ্ধ কথা নহয়। এই বিষয়ে আমাৰ ফালৰ ৰিচাৰ্জ কৰোঁতা সকলে মোক এটা টোকা লিখি পঠিয়াইছে তেওঁলোকে কৈছে যে ইতিহাস আৰু জীৱনীৰ কিতাপ হওঁক বা হাদীছেই হওঁক এটা কথা প্ৰমানিত হয় যে আঁহজৰত (ছাঃ)ৰ মৃত্যু কেতিয়াও সেই বিষৰ ক্ৰিয়াত হোৱা নাছিল। যিজনে এনেদৰে কয় প্ৰথম কথা হয়তো তাৰ সকলো বৰ্ণনা সম্পৰ্কে জ্ঞান নাই অথবা তেওঁ ইয়াত ভূল কৰি আছে । স্পষ্ট কথা যে এই বিষ দিয়া কাৰ্য্য সংগঠিত হৈছিল খয়বৰৰ যুদ্ধৰ সময়ত আৰু ইয়াৰ চাৰি বছৰ পিছলৈ আঁহজৰত (ছাঃ)য়ে জীৱিত আছিল। এই সময়খিনি তেখেত (ছাঃ)য়ে পুৰ্ণ সুস্থ জীৱন যাপন কৰিছিল আৰু ঠিক যেনেকৈ ইয়াৰ আগত যুদ্ধ অংশ গ্ৰহন কৰিছিল। ইবাদত আৰু বিভিন্ন কামত সামান্যতমও পাৰ্থক্য বা কম বেছি হোৱা নাছিল। এনেদৰে প্ৰায় চাৰি বছৰ পিছত জ্বৰ আৰু মূৰৰ বিষ দেখা দিছিল আৰু ইয়াৰ পিছত তেখেত (ছাঃ)ৰ মৃত্যু হোৱাটো , কোনো বিবেকবান ব্যাক্তিয়ে কব নোৱাৰে যে চাৰি বছৰ পিছত সেই বিষৰ ক্ৰিয়া হৈছে। এই বিষয়ে যিবোৰ হাদীছ বৰ্ণিত আছে তাত মাত্ৰ এটা কষ্টৰ কথা উল্লেখ আছে, যি আঁহজৰত (ছাঃ)য়ে বেমাৰ অৱস্থাত থকা সময়ত উল্লেখ কৰিছিল।প্ৰত্যেকেই জানে

যে মাজে সময়ে শাৰীৰিক কষ্ট অথবা আঘাত অথবা বেমাৰ কেতিয়াবা,কেতিয়াবা বিশেষ বিশেষ সুবিধা লৈ আগজাননীৰ বহিঃপ্ৰকাশ কৰে। খয়বৰৰ সময়ত যি বিষ আৰু মাংস তেখেত (ছাঃ)য়ে খাইছিল, সেই সম্পৰ্কে বৰ্ণনা চালে উল্লেখ পোৱা যায় যে বিষ মিহলোৱা মাংস তেখেত (ছাঃ)য়ে মুখত দিছিল মাত্ৰ গিলি পেলোৱা নাছিল আৰু যদিও গিলি পেলাইছিল তথাপি তেখেত (ছাঃ)ৰ সুস্থ সবল শাৰীৰিক অৱস্থাৰে জীৱন যাপন কৰাটোৱে এয়া প্ৰমান কৰে যে সেই বিষৰ ক্ৰিয়াই তেখেত (ছাঃ)ৰ মৃত্যু হোৱা নাই। হাদীছ সমুহত এই ঘটনা বিতং ব্যাখ্যা সহকাৰে বৰ্ণিত আছে, আৰু তাত এয়াও লিখা আছে যে আঁহজৰত (ছাঃ)য়ে গম পাই গৈছিল যে সেই মাংসত বিষ মিশ্ৰিত আছে আৰু তেখেত (ছাঃ)য়ে লগে লগে নিজৰ চাহাবা সকলক মাংস খাবলৈ নিষেধ কৰিছিল আৰু বিষ মিহলাই দিয়া মহিলাজনীক মাতি ইয়াৰ কাৰণ সুধিছিল তেতিয়া মহিলাজনীয়ে কৈছিল যে মই এই কাৰণেই বিষ মিহলাই দিছিলো যে যদি আপুনি সত্য ৰছুল হৈ থাকে তেন্তে নিশ্চয় বাঁচি যাব, আৰু যদি নহয় তেন্তে আমি আপোনাৰ পৰা মুক্তি লাভ কৰিম। ইহুদী সকলে আঁহজৰত (ছাঃ) বিষৰ পৰা ৰক্ষা পৰাৰ কথা ঘোষনা কৰি আছে আৰু সেই মহিলাজনীয়ে আচৰিত হৈ ভাৰি আছে যে ইমান ভয়ানক বিষ আছিল তথাপি তেখেত (ছাঃ) য়ে কেনেকৈ বাঁচি গল। আঁহজৰত (ছাঃ)য়ে সেই মহিলাজনীক ক্ষমা কৰি দিছিল। কিন্তু ৰোৱায়েতত আছে যে উক্ত মহিলাজনীয়ে পিছত ইছলাম গ্ৰহন কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই দুজন মৰহুমিনৰ বিষয়ে উল্লেখ কৰিম। ইনশাআল্লাহ নমাজে জুমাৰ পিছত এওঁলোকৰ জানাজা গায়েব পঢ়াম। ইয়াৰে প্ৰথম জানাজা হল মকৰম নাছিৰ আহমদ চাহাবৰ জানাজা। এখএত মকৰম আলি মহম্মদ চাহাব ৰাজনপুৰীৰ পুত্ৰ আছিল। ২০১৯ চনৰ ২১ নবেম্বৰত ৬৩ বছৰ বয়সত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। দ্বিতীয় জানাজা হল মকৰম আতাউল কৰিম মুবাশ্বিৰ চাহাবৰ জানাজা। এখেত মিয়া আল্লাদাতা চাহাব কৰতোজিলা শিখোপুৰাৰ (বৰ্তমান কানাডাত আছে) পুত্ৰ আছিল। ২০১৯ চনৰ ১৩ নবেম্বৰত ৭৫ বছৰ বয়সত আতাউল কৰিম মুবাশ্বিৰ চাহাবৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। হুজুৰ (আইঃ)য়ে মৰহুমিন সকলৰ আত্মাৰ সদগতি কামনা কৰি ক্ষমা আৰু উন্নত মৰ্যদা প্ৰাপ্তি, আৰু তেখেত সকলৰ সতি সন্তানৰ মাজত নেকি জাৰি থকাৰ নিমিত্তে দোৱাা কৰে। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 29 NOV. 2019**

(**BOOK POST PARINTED MATTER**)

**To**

-------------------------------------------------------------------------

-------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**